অসমীয়া খবৰ ২৭ এপ্ৰিল ২০১৫

(পৃষ্ঠা ১ আৰু ১০)

# ভূঁইকঁপত চূৰ্ণাকৃত হ'ব যোৰহাটৰ পুৰণি অট্টালিকা

## দেৰগাঁও-নামতিৰ দুই পৰিয়ালসহ সোণাৰিৰ দম্পতী সন্ধানহীন

**ষ্টাফ ৰিপৰ্টাৰ, যোৰহাট, ২৬ এপ্ৰিল ঃ** বিধ্বংসী বৰভূঁইকঁপে কালি নেপালকে ধৰি দেশৰ বিভিন্ন ৰাজ্যৰ লগতে অসমকো জোকাৰি যোৱাৰ পাছত ৰাজ্য চৰকাৰে সম্ভাব্য ভূমিকম্পৰ সৈতে মোকাবিলা কৰিব পৰাকৈ সাজু হৈ থাকিবলৈ সকলো জিলা উপায়ুক্ত আৰু মহকুমাধিপতিলৈ জৰুৰী বাৰ্তা প্ৰেৰণ কৰিছে। উল্লেখ্য যে যিকোনো প্ৰাকৃতিক দুৰ্যোগৰ পৰা হাত সৰাৰ ভৱিষ্যদ্বাণী সন্দৰ্ভত কোনো নিশ্চয়তা নাথাকিলেও হিমালয় ভূ-খণ্ডৰ সম্ভাব্য ভূ-কম্পনৰ জোকাৰণিৰ প্ৰাবল্য বৃদ্ধি পালে ইয়াৰ প্ৰভাৱ যে *শেষাংশ ১০ পৃষ্ঠাত*

প্ৰথম পৃষ্ঠাৰ পৰা

## ভূঁইকঁপত চূৰ্ণাকৃত হ'ব যোৰহাটৰ পুৰণি অট্টালিকা

পুনৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চলত পৰিব সেই কথা ইতিমধ্যে যোৰহাটস্থ উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ ভূ-তত্ত্ব বিভাগে নিশ্চিত কৰিছে। তাৎপৰ্যপূৰ্ণ যে সম্ভাব্য ভূ-কম্পনৰ সামান্য জোকাৰণিৰ প্ৰভাৱতে অসমত থকা ব্ৰিটিছৰ দিনত নিৰ্মিত অৰ্ধশতাধিক চৰকাৰী-বেচৰকাৰী বাসগৃহৰ বিস্তৰ ক্ষতিসাধন কৰাই নহয় শ শ লোকৰ প্ৰাণহানিৰো আশংকা প্ৰবল কৰি তুলিছে। বিশেষকৈ যোৰহাট নগৰত প্ৰাক্‌স্বাধীনতাৰ কালত ইংৰাজ শাসকৰ দ্বাৰা নিৰ্মিত সৰ্বাধিক ঘৰ-দুৱাৰ আজিও ব্যৱহৃত হৈ থকাতই যিদৰে নগৰখনৰ আভিজাত্যৰ স্বৰূপটো ফুটাই তুলিছে। ঠিক সেইদৰে এতিয়া অতিশয় পুৰণি এইসমূহ ঘৰ-দুৱাৰ সমগ্ৰ নগৰবাসীৰ বাবেই বিপজ্জনকো হৈ পৰিছে। যোৰহাট নগৰৰ মাজমজিয়াত অৱস্থিত ইংৰাজ চৰকাৰৰ দ্বাৰা নিৰ্মিত প্ৰায় এশবছৰ পুৰণি ১২ টাতকৈ অধিক ঘৰ-দুৱাৰ তথা অট্টালিকা সম্প্ৰতি মানুহ থকাৰ বাবে অনুপযোগী হৈ পৰাৰ সত্বেও চৰকাৰে এইসমূহ ঘৰ পুনৰ নিৰ্মাণৰ কোনো আঁচনি গ্ৰহণ নকৰাত সম্প্ৰতি এইসমূহ সামান্য ভূমিকম্পৰ এটা মাথোঁ জোকাৰণিতে ভাগি পৰাৰ আশংকা কৰা হৈছে। মন কৰিবলগীয়া যে যোৰহাটৰ প্ৰশাসন ব্ৰিটিছে সজোৱা ঘৰৰ পৰাই আজি অত বছৰে চলাই থকা হৈছে। যি ঘৰৰ পৰা মণিৰাম দেৱান, পিয়লি ফুকন আদিৰ দৰে বহু শ্বহীদৰ মৃত্যু পৰ্যন্ত ঘোষিত হৈছিল সেই ঘৰ আজিও উপায়ুক্ত কাৰ্যালয় হিচাপে ব্যৱহৃত হৈ আছে। জানিব পৰা মতে সেই সময়ত কলকাতাত কাৰ্যালয় পাতি থকা 'পেটেণ্টষ্টন' নামৰ এক ইংৰাজ কোম্পানীয়ে যোৰহাটৰ বৰ্তমান উপায়ুক্ত কাৰ্যালয় কাছাৰী ঘৰটো নিৰ্মাণ কৰিছিল। বৰ্তমান লণ্ডনত অৱস্থিত কোম্পানীটোৱে ২০ বছৰ পূৰ্বেই যোৰহাটৰ উপায়ুক্তলৈ কাছাৰী ঘৰটোৰ আয়ুস শেষ হোৱাৰ কথা চিঠিৰে অৱগত কৰি তেওঁলোকৰ দায়িত্ব পালন কৰিছিল যদিও জিলা প্ৰশাসনে সেই চিঠিক আজিও গুৰুত্ব প্ৰদান নকৰিলে। তদুপৰি ১৯০৬ আৰু ১৯১০ চনতে যোৰহাটৰ আৰক্ষী অধীক্ষক আৰু উপায়ুক্তৰ বাসভৱন দুটা নিৰ্মাণ কৰা হৈছিল। এই দুয়োটা বাসভৱনৰো আয়ুস প্ৰায় শেষ হৈছে। সম্প্ৰতি দুয়োটা ঘৰ মেৰামতি কৰি চুণ-তেল ঘঁহি থকাৰ বাবেহে দূৰৰ পৰা ধুনীয়া হৈ আছে। তথ্য মতে ১৯০৭ চনত যোৰহাটস্থ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক (চিভিল চাৰ্জন)ৰ বাসভৱন আৰু ১৯০৮ চনত জিলা উপায়ুক্তৰ কাৰ্যালয় (কাছাৰী ঘৰ) দুটা নিৰ্মাণ কৰা হৈছিল। একেদৰে ১৯১২ চনত নিৰ্মাণ কৰা হৈছিল জিলা ন্যায়াধীশৰ বাসভৱনটো। উল্লেখ্য যে সম্প্ৰতি স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ বাসগৃহ আৰু ন্যায়াধীশৰ বাসগৃহ দুটা ভয়ংকৰ অৱস্থাত ব্যৱহৃত হৈ আছে। আনহাতে ব্ৰিটিছৰ দিনতে নিৰ্মিত স্কুল পৰিদৰ্শকৰ বাসগৃহটো জহি-খহি যোৱাত ইয়াক কেইবছৰমানৰ পূৰ্বে ভাঙি পেলোৱা হয়। তদুপৰি যোৰহাটৰ পুৰণা ডাকঘৰটো ১৮৯৬ চনতে ব্ৰিটিছে নিৰ্মাণ কৰিছিল। যোৰহাট নৰ্মাল স্কুল আৰু চৰকাৰী এম ই স্কুল ঘৰ দুটাও ১৯০৬-০৭ চনতে নিৰ্মাণ কৰা হৈছিল। ১৮৮৫ চনত কাঠেৰে সজা যোৰহাট জিমখানা ক্লাবটো বৰ্তমানেও ব্যৱহৃত হৈ আছে। সেইদৰে ব্ৰিটিছৰ দিনতে সজা টোকলাই চাহ গৱেষণা কেন্দ্ৰ আৰু জিলাখনৰ চাহ বাগিচাৰ বহুকেইটা বঙলা এতিয়াও ব্যৱহাৰ কৰি থকা হৈছে। সম্প্ৰতি এইসমূহ ঘৰ-দুৱাৰ ব্যৱহৃত হৈ আছে যদিও শ বছৰ অতিক্ৰম কৰাৰ বাবেই এইসমূহ অতিশয় বিপজ্জনক হৈ পৰিছে। মন কৰিবলগীয়া যে ব্ৰিটিছৰ দিনত নিৰ্মিত এইসমূহ ঘৰৰ নিৰ্মাণ পদ্ধতি অৱশ্যে আজিৰ দৰে নহয়। ঘৰসমূহত কাঠ, শৰণ খেৰ আৰু খাপৰি ব্যৱহাৰ কৰা হৈছিল। বৰ্তমান শৰণ খেৰ আৰু খাপৰিৰ পৰিৱৰ্তে টিনপাট লগোৱা হৈছে। উল্লেখ্য যে ১৯৫০ চনৰ প্ৰবল ভূমিকম্পৰ সময়তো এইসমূহ ঘৰ-দুৱাৰ অলপো ক্ষতি হোৱা নাছিল। অৱশ্যে সেয়ে হ'লেও সম্প্ৰতি প্ৰায় ১০০ বছৰ পুৰণি এইসমূহ ঘৰ-দুৱাৰ এতিয়া অতিশয় বিপজ্জনকভাৱে থিয় দি আছে। আজি এই সন্দৰ্ভত এজন ভূ-বিজ্ঞানীয়ে কয় যে বিপজ্জনক হৈ পৰা এইসমূহ ঘৰ-দুৱাৰ ভূমিকম্পৰ এটা মাথোঁ জোকাৰণিতে ভাঙি পৰি যোৰহাটলৈ বিপদ মাতি আনিব পাৰে। সেয়েহে এইসমূহ ঘৰ ব্যৱহাৰৰ উপযোগী হৈ আছেনে নাই সেই বিষয়ে পৰীক্ষা কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে বুলিও বিজ্ঞানীজনে মন্তব্য কৰে। ইপিনে আজি এই সন্দৰ্ভত যোৰহাট জিলা প্ৰশাসনৰ সৈতে যোগাযোগ কৰাত প্ৰশাসনৰ এগৰাকী শীৰ্ষ বিষয়াই কয় যে সম্ভাব্য ভূমিকম্পৰ সৈতে মোকাবিলা কৰিব পৰাকৈ যোৰহাট জিলা প্ৰশাসন সাজু হৈ আছে। ইতিমধ্যে অসামৰিক প্ৰতিৰক্ষা বিভাগক সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশ দিয়াৰ উপৰিও জিলাখনত কুইক ৰেচপনছ টীম গঠন কৰাৰ সিদ্ধান্ত লোৱা হৈছে।